খৃঃ ঊনৈশশতিকাৰ শেষ ভাগলৈকে হাউলী-সৰুপেটাৰ যাতায়ত পথ আছিল প্ৰধানকৈ গৌহাই কমল আলি। ১৯২৭ ইং চনৰ কথা। হাউলীৰ পৰা কেইজনমান যুৱকে চাইকেলেৰে গৌসাই কমল আলিয়েদি নিশা সৰুপেটালৈ দুৰ্গাপূজাৰ যাত্ৰাগান চাবলৈ যায়। তেওঁলোকে গৈ দেখে যে মুকলি মঞ্চত যাত্ৰাগানত টিকট কিনি চোৱাৰ ব্যৱস্থা। পূজা কমিটিয়ে কৰা এই ব্যৱস্থাত হাউলীৰ যুৱকসকলে অসন্তুষ্টি প্ৰকাশ কৰিযাত্ৰা-গান নোচোৱাকৈ সদলবলে উভতি আহে। আনহাতে বাটত আলোচনা কৰি সৰুপেটাতকৈ ডাঙৰ উৎসৱ হাউলীতো পাতিম বুলি অনুপ্ৰেৰণা লাভ কৰে। আৰু তাৰ পিছৰ বছৰতে সাৰ্ব্বজনীনভাৱে হাউলীত ৰাস উৎসৱ পতাৰ সিদ্ধান্ত লয়। ৰাস-উৎসৱৰ প্ৰথম উদ্যোক্তাসকলে বৃহত্তৰ হাউলী অঞ্চলৰ হাউলী বজাবক কেন্দ্ৰ কৰি পাম, পোৰাভঁৰাল, হাতীজানা, কাউৰপাৰা, ৰংদিয়া, বনমাজাৰ পাম, কৰেণুৰি, বাঘাৰপাৰা, মাজৰগাওঁ, খাটালপাৰা, মাদুলিবাৰ পাম, ন-বাৰ, মৌটুপুৰী, হালাপাকুৰী, বেনীবাৰী, উলুবাৰী, বেলগুৰী, গণকপাৰা ধূপগুৰী, আদি গাওঁসমূহ সংগঠিত কৰি হাউলী ৰাস উৎসৱ 'আৰম্ভ কৰে।

প্ৰথমখন পৰিচালনা সমিতিৰ সভাপতি আছিল স্বৰ্গীয় বিশ্বনাথদাস আৰু সম্পাদকদ্বয় আছিল স্বৰ্গায় গৰ্জন চন্দ্ৰ চৰকাৰ আৰু স্বৰ্গীয় যোগেশ চন্দ্ৰ দাস। ওপৰত উল্লেখকৰা গাওঁসমূহৰ নেতৃস্থানীয় লোকসকলক লৈ ৰাস উৎসৱ পৰিচালনা কমিটি গঠন হৈছিল। *হাউলীত সাৰ্ব্বজনীন ৰাস-উৎসৱ পতাৰ পূৰ্বেও মৈৰামাৰা নমাটি সত্ৰৰ বিখ্যাত শিমলুগুৰীয়া অধ্যাপক মহামহোপাধ্যায় মহীনাথ ভট্টাচাৰ্য্য ন্যায় বাগীশৰ পুত্ৰ স্বৰ্গীয় আদ্যনাথ ভট্টাচাৰ্য্য ন্যায় বাগীশৰ ঘৰত নিজাববীয়াকৈ বাস পূজা কৰা হৈছিল। স্বৰ্গীয় মহীনাথ ভট্টাচাৰ্য্যৰ শিমলুগুৰীত ডাঙৰ সংস্কৃত টোল আছিল আৰু তেওঁ ‘অভয়াপুৰী বজাৰ দ্বাৰ পণ্ডিত আছিল। আদ্যনাথ ভট্টাচাৰ্য্য জাঁজী সংস্কৃত টোলৰ অধ্যক্ষ আছিল। হাউলী ১৯২৮ ইং চনত ৰাজহুৱা ৰাসোৎসৱ পতাত তেওঁলোকেও ৰাইজৰ লগতে সহযোগ কৰিলে।

হাউলীৰ ৰাসোৎসৱ কোচবিহাৰৰ ৰাসৰ আহিঁত পতা হয়। কোচবিহাৰৰ ৰাসমেলা ভাৰত বিখ্যাত। বিখ্যাত আনন্দময়ী ধৰ্মশালাৰ চৌহদক কেন্দ্ৰ কৰিৰাস উৎসৱ পতা হয়। কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ আদি অঞ্চল ৭ ম শতিকাৰ পৰাই প্ৰাচীন কামৰূপী ভাষা ‘সংস্কৃতিৰ ঠাই। কৌচ-কমতাৰ ৰাজত্বকালত এই অঞ্চলবোৰ কামৰূপী ভাষা সংস্কৃতিৰে পৰিপুষ্ট আছিল। আনকি ইয়াৰ ধৰ্মকাৰ্য্যৰ পুৰোহিতসকলো এতিয়ালৈকে কামৰূপৰ নলবাৰী, ভৱানীপুৰ অঞ্চলৰ। কোঁচৰজা মহাৰাজ নৰনাৰায়ণৰ আমোলত শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদি বৈষ্ণৱ ধৰ্মগুৰুসকলৰ কোচবিহাৰ আছিল প্ৰধান কৰ্মক্ষেত্ৰ। কোঁচবিহাৰ অঞ্চলত থকা মধুপুৰ, কাকতকূটা, ভেলাসত্ৰ, বৈকুণ্ঠপুৰ আদি বৈষ্ণৱ সত্ৰসমূহ আজিও এই অঞ্চলত বিদ্যমান। তিনিওজনা বৈষ্ণৱ গুৰুৰ সমাধিস্থল এই অঞ্চলতে। এই অঞ্চলসমূহৰ ভাষা-সংস্কৃতি, ধৰ্ম কাৰ্যা আদি বঙ্গভাষীসকলৰ পৰা পৃথক কাৰণে বঙ্গভাষীসকলে এই অঞ্চলটোক ‘বাহেৰ’ দেশ বুলি কয়। ‘বাহে’ অৰ্থ বাপাহে। এই বাহেৰ অঞ্চল স্থাপিত বিদ্যাত আগবঢ়া আছিল। আহোম ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই কোচবিহাৰৰ ঘনশ্যাম শিলাকৃটীৰ হতুৱাই কাৰেংঘৰ, ৰংঘৰ, তলাতলঘৰ আদি নিৰ্মাণ কৰাইছিল। কোচবিহাৰৰ ৰাসত ভগৱান শ্ৰীকৃষ্ণৰ লীলা বিগ্ৰহসমূহ এই বাহেৰ দেশৰ মৃত শিল্পীসকলেই মৃন্ময় ৰূপত প্ৰকাশ কৰে। ভাগৱত-পুৰাণত মৃন্ময়, বাস্ময়, চিন্ময় কূপত ভগৱানক ভক্তি কৰাৰ ব্যৱস্থা দিছে।
অসমত বৈষ্ণৱ যুগৰ পৰাই ৰাস-ক্ৰীড়াৰ প্ৰচলন হৈ আহিছে ভক্তি ধৰ্মৰ এটি প্ৰধান অঙ্গস্বৰূপে। মাজুলীৰ কমলাবাৰী আউনি-আটি আদি সত্ৰত ৰাস উৎসৱ পতা হৈ আহিছে বৈষ্ণৱ যুগৰ পৰাই বাস্ময় ৰূপত। মহাপুৰুষ শ্ৰীতৃজীশংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ ৰচিত পদপুথি,নাট আদিৰ আধাৰত নৃত্য গীত,ভাওনা আদিৰে মাজুলীৰ কমলাবাৰী আদি সত্ৰত ৰাস পতা হয়।কমলাবাৰীৰ আদৰ্শতেই উজনি অসমৰ সত্ৰসমূহত বাস্ময় ৰূপতে ৰাস উৎসৱ পতা হয়।

হাউলী ৰাস উৎসৱৰ প্ৰথম উদ্যোক্তাসকলে কোচবিহাৰলৈ গৈ তাত ৰাসৰ কাৰুকাৰ্য্যবোৰ চাই আহি তাৰ আদৰ্শতে হাউলী ৰাসৰ শ্ৰীকৃষ্ণৰ লীলা-বিগ্ৰহসমূহ বাহেৰ অঞ্চলৰ শিল্পীৰ দ্বাৰাই নিৰ্মাণ কৰাই হাউলী ৰাসৰ আৰম্ভণি কৰে। বৃহত্তৰ হাউলী অঞ্চলৰ সমূহ জনগোষ্ঠীক সামৰি সংগঠিত কৰি - মৰা মানাহ নদীৰ নিকটবৰ্তী, বৰ্ত্তমান হাউলী হাটখোলাৰ বাঁহৰ বজাৰত থকা তেলিকদম জোপাৰ ঠাইতে সমূহ ৰাইজৰ হৰিধ্বনিৰে প্ৰথম ৰাস মন্দিৰৰ ভেঁটি প্ৰতিষ্ঠা কৰি হাউলী ৰাস উৎসৱৰ আৰম্ভণি হৈছিল ১৯২৮ ইং চনৰ(১৩৩৫ ভাস্কৰাব্দ) ৰাস পূৰ্ণিমাৰ দিনা। বুঢ়াসকলৰ মুখত শুনামতে ৰাসৰ আৰম্ভণিৰ দিনা হাউলীত কিষে মহানন্দ চাৰিওফালৰ গাওঁসমূহৰ ল'ৰা বুঢ়া ডেকা, পুৰুষ মহিলাই নাম কীৰ্ত্তন কৰি ৰাসমণ্ডপ ভৰি পৰিছিল। প্ৰথম বছৰত ৰাস উৎসৱ তিনিদিনীয়াকৈ পতা হৈছিল। মন্দিৰৰ চাৰিওফালে বৃহৎ ছামিয়না সজা হৈছিল ভীমকলৰ খুটা, বাঁহ, তৰা কলপাতেৰে। উত্তৰফালৰ ছামিয়না সঁজাৰ দায়িত্ব আছিল গহেখান্দা (পৰাভঁৰাল, হাতীজানা) আৰু খাটালপাৰা গাঁওৰ, পূবৰ ছামিয়নাৰ দায়িত্ব আছিল হাউলী আৰু হেলনাৰ পাম গাঁওৰ, দক্ষিণৰ ছামিয়না সাজিব লাগিছিল - মৈৰামাৰা আৰু দলাগাওঁৰ ৰাইজে আৰু পশ্চিমফালৰ ছামিয়না সাজিব লাগিছিল হালাপাকুৰী আৰু মৌটুপুৰী গাঁৱে। হাউলী অঞ্চলৰ প্ৰতিঘৰ মানুহে ৰাসৰ বাবে এটকা বৰঙণি, এটিকৈ বাঁহ আৰু একসেৰকৈ চাউল দিয়াৰ নিয়ম আছিল। চাউলখিনিৰে ঢুলীয়া, ওজাপালি আদিক খাদ্য যোগান দিয়া হৈছিল। প্ৰতিষ্ঠা কালৰ হাউলী ৰাসৰ প্ৰধান উদ্যোক্তা ব্যক্তিসকল আছিল--

স্বৰ্গীয় বিশ্বনাথ দাস - হাউলী বজাৰ
স্বৰ্গীয় গৰ্জন চন্দ্ৰ চৰকাৰ - মৌটুপুৰী গাওঁ
স্বৰ্গীয় লোহিত চন্দ্ৰ ভূঞা - মৈৰামাৰা গাওঁ
স্বৰ্গীয় নাৰায়ণ চন্দ্ৰ দাস - খাটালপাৰা গাওঁ
স্বৰ্গীয় মহাৰথ চৌধুৰী - দলাগাওঁ
স্বৰ্গীয় লোহিতদাস (মণ্ডল) - দলাগাওঁ
স্বৰ্গীয় দীননাথ চৌধুৰী -দলাগাওঁ
স্বৰ্গীয় ভৱানন্দ পাঠক - মৈৰামাৰা
স্বৰ্গীয় টেপাৰাম মহাজন - মৈৰামাৰা
স্বৰ্গীয় হৰিনাথ দেৱশৰ্মা - মৈৰামাৰা
স্বৰ্গীয় দেবেন্দ্ৰ নাথ উজীৰ - বৰপেটা
স্বৰ্গীয় কামেশ্বৰ বায়ন - হাউলী গাওঁ
স্বৰ্গীয় কেশৱ ৰাম দাস -হাউলী গাওঁ
স্বৰ্গীয় ৰামচৰণ নাথ (মিস্ত্ৰী) - হাউলী গাও
স্বৰ্গীয় শুকোৰাম খাটনিয়াৰ - পৰাভড়াল
স্বৰ্গীয় কিনাৰাম বড়ো - হেলনাৰ পাম
স্বৰ্গীয় বনবিহাৰী সাহা - হাউলী বজাৰ
স্বৰ্গীয় যোগেশ চন্দ্ৰ দাস -হাউলী বজাৰ
স্বৰ্গীয় ৰহিৰাম গাওঁবুঢ়া - হালাপাকুৰী
স্বৰ্গীয় মেধিৰাম বড়ো - বনমাজাৰ পাম
স্বৰ্গীয় ৰাজেন্দ্ৰ নাথ চৌধুৰী - গলিয়া
স্বৰ্গীয় নিকুঞ্জ বিহাৰী সাহা - হাউলী বজাৰ
স্বৰ্গীয় জানকী মোহন পাঠক - মৈৰামাৰা
স্বৰ্গীয় কবিৰাজ পবন চন্দ্ৰ পাঠক - মৌটুপুৰী
স্বৰ্গীয় গৰ্জন চন্দ্ৰ বড়ো - বেন্নীবাৰী, আদি

www.howlytown.in